

DISPUR COLLEGE STUDENT UNION

# উদয়

E-MAGAZINE

প্রথম বর্ষ,
তৃতীয় সংখ্যা

# শ্ৰদ্ধাঞ্জলি



পংকজ কাথাৰ
সহযোগী অধ্যাপক (বুৰঞ্জী বিভাগ)
দিছপুৰ মহাবিদ্যালয়

প্ৰতিটো স্তৰৰ ছাত্ৰ-ছাত্ৰীক পথ দেখুৱাব পৰা তেখেত আছিল আমাক প্ৰজ্ঞাৰ দিশে লৈ যোৱা এজন অগ্ৰণী লোক।

তেখেতৰ অকাল বিয়োগত আমি মৰ্মাহত হৈছো। তেখেতৰ আত্মাই জ্ঞানৰ বটবৃক্ষত জিৰণি লওঁক।



# অধ্যক্ষৰ একলম

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল ..... তোমালোকে একাগ্ৰতাৰে কোনো কাম কৰিবলৈ হ'লে প্ৰথমে জীৱনৰ লক্ষ্য স্থিৰ কৰি সেই লক্ষ্যত উপনিত হ'বলৈ কঠোৰ পৰিশ্ৰম কৰিব লাগিব । এতিয়াৰ যুগেই হ'ল প্ৰতিযোগিতাৰ । জীৱনী অধ্যয়নে এনে ক্ষেত্ৰত যথেষ্ট সহায় কৰে । তোমালোকে যাতে জীৱন যাত্ৰাত আগুৱাই যোৱা সেই কামনাৰে

অমৰ শইকীয়া
অধ্যক্ষ ; দিছপুৰ মহাবিদ্যালয়

উদয় E-MAGAZINE

# উপাধ্যক্ষ্যাৰ একলম

এতিয়া আহিনৰ শাৰদী সময়। নিয়ৰ সিক্ত শেৱালিৰে দূবৰি উপচি পৰাৰ সময়।মৃদু মলয়াৰ কোমল পৰশে শীতৰ বতৰা কঢ়িয়াই অনাৰ সময়। অথচ, সময়ৰ কেলেণ্ডাৰত বতৰ সলনি হোৱাৰ কোনো ইঙ্গিতেই যেন নাই। ৰ'দৰ উগ্ৰতাই প্ৰতিটো পুৱাকেই দহিছে; দুপৰৰ ধৰিত্ৰীয়ে সহিছে লাভাৰ উত্তাপ। অতিমাৰীৰ প্ৰকোপ আৰু বতৰৰ ৰুক্ষতাৰ মাজতো জীৱনে বাটৰ সন্ধান অব্যাহত ৰাখিছে। প্ৰযুক্তিৰ পিঠিত উঠি জ্ঞানৰ উপাসনা গৃহৰ অন্বেষণ চলিছে। এই ব্যস্ততাই দিছপুৰ মহাবিদ্যালয়কো চুই গৈছে। বিগত বৰ্ষবোৰৰ দৰে সহস্ৰজনৰ আৱেদনেৰে স্ফীত হৈ উঠিছে মহাবিদ্যালয়ৰ ৱেবচাইট। জীৱন গঢ়াৰ কমাৰশাল এয়া ; শদিয়াৰ পৰা ধুবুৰী,অৰুণাচলৰ পৰা ত্ৰিপুৰা আদিৰ মাটি-পানী-বায়ুৰে পৰিপুষ্ট , বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰে সমৃদ্ধ জীৱনবোৰক একোটা সুৰতেই বান্ধিবলৈ দিছপুৰ মহাবিদ্যালয়ৰ পদূলিত গোট খাইছেহি আশাৰে সমুজ্জ্বল ল'ৰাছোৱালীবোৰ। আমাৰো হৃদয়ভৰি পৰিছে নতুনৰ পদধ্বনিৰে। এচাম ওলাই গৈছে ,নতুন এচামে সেই ঠাই পূৰ্ণ কৰিছে। এই অহা যোৱাৰ নিৰন্তৰ গতিয়ে মহাবিদ্যালয়খনিকো সক্ৰিয় কৰি ৰাখিছে। দেশৰ মানৱ সম্পদ গঢ়াৰ প্ৰক্ৰিয়াটোলৈ যথাসাধ্য বৰঙনি আগবঢ়োৱাত এই সক্ৰিয়তাই মহাবিদ্যালয়খনক সহায় কৰিছে। মহাবিদ্যালয়খনৰ এই যাত্ৰা সফল হওক। নতুনকৈ মহাবিদ্যালয়খনত খোজ পেলোৱা প্ৰতিগৰাকী ছাত্ৰছাত্ৰীৰ মনৰ আশা পুৰণ হওক।

এই আন্তৰিক শুভকামনাৰে...

ড° ৰানী মুদিয়াৰ ডেকা

উপাধক্ষ্যা; দিছপুৰ মহাবিদ্যালয়

DISPUR COLLEGE

*Walk Into Your Future*

# সম্পাদকীয়

Concept & Editing

**Dr. Himangshu Kalita**

Advisor

**Dr. Amar Saikia**

Special Thanks

**Dr. Ajoy Mitra**

Magazine Secretary DCSU

**Debashish Ojha**

Cover & Page Layout

**Kulapradip Patowary**

DTP

**Kulapradip Patowary**

Website

www.dispurcollege.ac.in

উদয়' প্ৰথম বছৰ, তৃতীয় সংখ্যা- বিভিন্ন ঘাত প্ৰতিঘাতৰ মাজতো অৱশেষত প্ৰকাশ কৰিব পাৰি আনন্দিত হৈছো। এই সংখ্যাৰ লিখনি সংগ্ৰহ কৰোঁতে আমি বহু অসুবিধাৰ সন্মুখীন হৈছোঁ। কিয়নো, কৰোণা অতিমাৰিৰ লগতে আগষ্ট মাহত অনুষ্ঠিত হোৱা যান্নাসিক পৰীক্ষাৰ বাবে ছাত্ৰ ছাত্ৰীয়ে তেওঁলোকৰ সৃষ্টিশীল বিকাশত কিছু বাধাৰ সন্মুখীন হৈছিল। তথাপি অতি কম সংখ্যক ছাত্ৰ ছাত্ৰীয়ে তাৰ মাজতে তেওঁলোকৰ লিখনি প্ৰদান কৰি উদয়ৰ তৃতীয় সংখ্যা প্ৰকাশ কৰিবলৈ সাহস যোগাইছে। সেয়ে এই সংখ্যা প্ৰকাশত কিছু পলম হ'ল, তাৰ বাবে আমি দুঃখিত। যিসকল ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, উৎসাহ আৰু বিভিন্ন লিখনিৰ জৰিয়তে এই সংখ্যা প্ৰকাশ কৰিব পাৰিলো, তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ বাইদেউ নিৰন্তৰ সহযোগিতাৰ বাবে কৃতগ্য়তা গ্য়াপন কৰিলো। এই চেগতে মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ ছাত্ৰীসকলক উদয়ৰ তৰফৰ পৰা স্বাগতম জনাইছো আৰু পৰবৰ্তী ডিচেম্বৰ সংখ্যাত তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভা লিখনিৰ যোগেদি অন্তৰ্ভুক্ত হ'ব বুলি আশা কৰিলো।

ড. হিমাংশু কলিতা,
ছাত্ৰ কল্যান বিষয়া,
দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা


# সূচীপত্ৰ


| | |
|---|---|
| অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া এপদ সম্পদ 'গামোছাখন' | ১-২ |
| অসমত বামপন্থী শিবিৰ দুৰ্বল কিয়? | ৩-৫ |
| দুৰ্গা পূজা | ৬-৮ |
| লভলীনা বৰগোহাঁই | ৯-১০ |
| এজনী অকণমানি | ১১-১২ |
| প্ৰেমৰ প্ৰতাৰণা | ১৩ |
| ফুলৰ মাজেৰে | ১৪ |
| মৃত্যু | ১৫ |


উদয়
E-MAGAZINE

# সূচীপত্র

Vibhishan- The Righteous of Ramayan 16-17
The Cowherd Boy and the Demoness 18-20
I write your name in my heart 21-22
Casteism 23
Acquaintance 24
जातिवाद 25
Collage 26-28




# অসমীয়া বিভাগ

# অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া এপদ সম্পদ 'গামোছাখন'




গামোছা হৈছে অসমীয়া সমাজৰ আৰু অসমীয়া মানুহৰ অপৰিহাৰ্য আৰু অতি মূল্যৱান সম্পদ।গামোছাক বৈষ্ণৱ সমাজৰ অংগ বুলি কোৱা হয়। পুৱা শুই উঠি মুখ-হাত ধোৱাৰ পিছত মুখ মোহৰাৰ পৰা আৰম্ভ কৰি মানুহে গা ধুই উঠি গা মচিবলৈ গামোছাৰ ব্যৱহাৰ কৰা দেখা যায়। তাৰ বাহিৰেও ঈশ্বৰক সেৱা জনাওঁতে অথবা গুৰুজনক সেৱা জনাওঁতেও ডিঙিত গামোছাখন লৈ সেৱা জনোৱা হয়।

গামোছা হ'ল ডেৰ কাঠি দীঘল। গামোছাৰ দুয়োকাষে ৰঙা ৰঙৰ আঁচু সূতাৰে দুটা পাৰি দিয়া হয়। ৰঙা ৰঙৰ আঁচুৰ কাষত থকা বগা ৰঙটো পুলি ভঙা বুলি কোৱা হয়। গামোছাৰ ব্যবহাৰৰ ওপৰত ভিত্তি কৰি ইয়াক বিশেষ কিছুমান নাম দিয়া হৈছে। নামঘৰ, সত্ৰ আদিত ব্যৱহাৰ কৰা গামোছাক 'নামাৱলী গামোছা', হালোৱাই পথাৰলৈ লৈ যোৱা গামোছাক 'পানী গামোছা', গা ধোওঁতে পিন্ধা গামোছাখন 'তিয়নী গামোছা', বিয়াৰ আগদিনা অৰ্থাৎ জোৰোণৰ দিনা কইনাঘৰৰ পৰা দৰালৈ দিয়া গামোছাক 'জোৰণীয়া গামোছা' ইত্যাদি নামেৰে নামকৰণ কৰা হয়। গামোছাৰ দুয়ো মূৰে বা এমূৰত ফুল বছা হয়। এই ফুলে গামোছাখনত সোণত সুৱগা চৰায় অৰ্থাৎ গামোছাৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰে। এই ক্ষেত্ৰত শিপিনীৰ সু-নিপুণ হাতৰ কাৰু-কাৰ্য অপৰিহাৰ্য। গামোছাখনত সোণত সুৱগা চৰোৱা ফুলৰ ওপৰত ভিত্তি কৰি গামোছাৰ বিভিন্ন নাম আছে। সেইবোৰ হ'ল – 'ভমকা ফুলীয়া গামোছা', 'গুটি ফুলৰ গামোছা', 'বুটা বছা গামোছা', 'উকা গামোছা' ইত্যাদি।

গামোছাৰ অবিহনে কোনো সভা-সমিতি, বিয়া-সবাহৰ আৰম্ভণি কাৰ্য সম্পূৰ্ণ নহয়। ধৰ্মীয় অনুষ্ঠানত গামোছাৰ অবিহনে কোনো কাৰ্য ফচল নহয়। অসমবাসীৰ অতি আদৰৰ ৰঙালী বিহুটিৰ স'তে গামোছাৰ সম্পৰ্ক ওতঃপ্ৰোত। বিহু বুলিলে প্ৰথমে আমাৰ মনত গামোছাৰ কথাটোহে মনলৈ আহে, কাৰণ মৰমৰ চিনস্বৰূপে এই গামোছাখনকে জীয়ৰী-বোৱাৰীয়ে

সকলোকে যাচে। চহৰত গাামোছা কিনিব লাগে কিন্তু গাঁৱত ঘৰে-ঘৰে জীয়ৰী-বোৱাৰীয়ে গামোছা বয়। ব'হাগ বিহুৰ প্ৰায় এমাহৰ আগতে এই কাৰ্য আৰম্ভ হয়। অসমীয়া মানুহৰ বাহিৰেও অসমত বসবাস কৰা অন্য জনজাতিৰ লোক সকলেও তাঁত শালত কাপোৰ বয় আৰু গামোছাখনকে অতি মৰমেৰে আদৰি লয়। মহাত্মা গান্ধী অসমলৈ আহোতে অসমৰ শিপিনীসকলক কৈ গৈছিল, “অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচিব পাৰে।” অসমীয়াৰ হিয়াৰ আমঠু ব'হাগ বিহুত সৰুৱে ডাঙৰক বা ডাঙৰে সৰুক বিহুৱান দিয়া পৰম্পৰা অসমত বহুত বছৰ আগৰে পৰা চলি আহিছে আৰু ভৱিষ্যতেও চলি থাকিব।ব'হাগ বিহুত জীয়ৰীসকলে তেওঁলোকৰ প্ৰেমাস্পদক উপহাৰস্বৰূপে চেনাইলৈ মৰম-ভালপোৱাৰ বিহুৱানখন দিয়ে।



গামোছা অসমীয়া সমাজৰ সংস্কৃতিৰ প্ৰতীক। বৈষ্ণৱ সমাজত গামোছাৰ সমাদৰ বেছি। গামোছা অসমত প্ৰতিঘৰ অসমীয়াৰ বাবে অপৰিহাৰ্য অংগ। ইয়াৰ ঠাই অন্য আমদানীকৃত বস্তুৱে পূৰাব নোৱাৰে।

হিমানী দাস
স্নাতক, ২য় ষাণ্মাসিক

# অসমত বামপন্থী শিবিৰ দুৰ্বল কিয়?



২০১৫ চনৰ পৰা ২০২০ চনলৈকে অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত বহুকেইখন বিতৰ্ক প্ৰতিযোগিতাত আমি অংশগ্ৰহণ কৰিছিলো। বিতৰ্কত অংশগ্ৰহণ কৰাৰ প্ৰয়োজনতেই বাতৰি কাকতৰ লগতে আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ভেঁটিত লিখা কিছুমান কিতাপ পঢ়াৰ অভ্যাস এটা আমাৰ গঢ় লৈ উঠিছিল। ঠিক তেনে সময়ছোৱাতেই পঢ়া কিতাপ এখন আছিল বিশিষ্ট চিন্তাবিদ ময়ূৰ বৰাৰ "মাৰ্ক্সেই বজালে নেকি কমিউনিজমৰ মৃত্যুঘণ্টা"। কিতাপখনত বৰাদেৱে কমিউনিজমৰ গঠনমূলক সমালোচনা কৰিছে। কিন্তু মই অনুভৱ কৰিছিলো যে সমালোচনাখিনি বুজিবলৈ প্ৰথমতে মই মতাদৰ্শটো ভালদৰে অধ্যয়ন কৰি ল'ব লাগিব। সময়ৰ গতিত এদিন দিশপুৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ হোৱাৰ সুযোগ পালো। আৰু তেতিয়াই ৰাজনৈতিক মতাদৰ্শবোৰ পঢ়াৰ মানসিক প্ৰৱণতা এটা বৃদ্ধি পালে। আমি পঢ়িলো কাৰ্ল মাৰ্ক্সৰ তাত্ত্বিক দৰ্শন, ভি. আই. লেনিনৰ পৰা চে' গুৱেভাৰা, ফিডেল কেষ্ট্ৰ'লৈকে, ভিয়েটনামৰ পৰা ভেনিজুৱেলালৈ আমি পঢ়িলো। অনুভৱ কৰিলো যে সমাজবাদতকৈ পপুলাৰ মতাদৰ্শ গোটেই পৃথিৱীতে দ্বিতীয় এটা নাই। লগে লগে আমাৰ চিন্তাত ঠাই পালে যে অসমত এই মতাদৰ্শই কিয় শিপা মজবুত কৰিব নোৱাৰিলে বা আজি পৰ্যন্ত পৰা নাই। কিয় বিগত দুটা দশক ধৰি এই মতাদৰ্শৰ পৰা বিধানসভালৈ দুজনতকৈ বেছি বিধায়ক নিৰ্বাচিত হ'ব পৰা নাই? ।কিয় লোকসভাত এখনো আসন দখল কৰিব পৰা নাই? কিয় অসমত বামপন্থী শিবিৰ সাংগঠনিকভাৱে ইমান দুৰ্বল? সময়ে সময়ে অসমে বহুতো মতাদৰ্শ সলাইছে। বিচ্ছিন্নতাবাদৰ পৰা সাম্প্ৰদায়িকতাবাদলৈকে, জাতীয়তাবাদৰ পৰা ৰাষ্ট্ৰীয়তাবাদলৈকে অসমে বহুতো মোট সলাইছে। তৎসত্বেও অসমে সমাজবাদক সাৱটি লোৱা নাই কিয়? আমাৰ


দৃষ্টিত কাৰণ —

প্ৰথম, এতিয়াও অলেখ মানুহে ভাৱে যে সমাজবাদ মানে বিপ্লৱ। কিন্তু তেওঁলোকে বুজি নাপায় বা ভাল নাপায়, সেইবাবে তেওঁলোকৰ সমাজবাদৰ প্ৰতি আগ্ৰহ নাই। আদৰ্শৰ প্ৰতি পিঠি দিয়া একবিংশ শতিকাত ভোগবাদ আৰু সুবিধাবাদে সমাজক এনেদৰে গ্ৰাস কৰিছে যে বিপ্লৱ, সমাজবাদ এইবোৰ শব্দৰ গুৰুত্ব মাত্ৰ মুষ্টিমেয় মানুহৰ মাজত সীমাৱদ্ধ। গতিকে বিপ্লৱে তাৰ পৰিভাষা সলনি কৰিব নোৱাৰাৰ বাবে বা তাৰ সীমাৱদ্ধতাৰ পৰিধি ফালি আহিব নোৱাৰাৰ বাবে সমাজবাদ এলাগী হৈ আছে।

দ্বিতীয়, একেটা মতাদৰ্শৰ মানুহ বিভিন্ন সংগঠন বিভক্ত। CPI, CPI(M), CPI(ML), RCP আদি বিভিন্ন ৰাজনৈতিক দলৰ চিন্তা-ধাৰা, কাম-কাজত যথেষ্ট মিল আছে কিন্তু ৰাজনৈতিক একতা নাই। আমি নিৰ্বাচনী একতাৰ কথা কোৱা নাই, ৰাজনৈতিক একতাৰ কথা কৈছে। অৰ্থাৎ আটাইকেইটা দল ভাঙি এটা দল গঠন কৰাৰ কথা কৈছো। কামটো জটিল কিন্তু অসম্ভৱ নহয়। কিন্তু প্ৰশ্নটো হ'ল কোনে ল'ব এই উদ্যোগ?

তৃতীয়, বামপন্থী শিবিৰত সবল নেতৃত্বৰ অভাৱ। বহুতে অখিল গগৈক কমিউনিষ্ট নেতা বুলি ভাবে। কাৰণ, কৃষক মুক্তি সমগ্ৰাম সমিতি গঠন কৰাৰ সময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বিশিষ্ট চিন্তাবিদ ড□ হীৰেণ গোঁহাইদেৱে (প্ৰণৱ কুমাৰ বৰ্মণৰ "হু ইজ অখিন গগৈ" গ্ৰন্থত উদ্ধৃত)। কিন্তু অখিল গগৈয়ে নিজকে কমিউনিষ্ট নেতা বুলি কেতিয়াও প্ৰকাশ নকৰে।অসমীয়া জাতীয়তাবাদী মানুহখিনিৰ মাজত তেনে আত্মপ্ৰকাশে তেওঁক কিছু পৰিমাণে অকলশৰীয়া কৰিব বুলি হয়তো তেওঁ সেয়া নকৰে। সেইবাবে একাংশ বামপন্থীয়ে তেওঁক ব্যক্তিগতভাৱে জানে বাবে তেওঁৰ লগত পূৰ্বৰে পৰাই যোগ দিয়ে আৰু একাংশই আকৌ তেওঁৰ দলটো কমিউনিষ্ট নহয় বাবে তাত যোগ দিব নোৱাৰে। যাৰ ফলত বামপন্থী মানুহখিনি সিঁচৰতি হৈ থকাৰ ক্ষেত্ৰত তেৰো এক কাৰণ হিচাপে থিয় দিছে।

চতুৰ্থ, যিখিনি মুষ্টিমেয় মানুহৰ মাজত এই মতাদৰ্শটো আজিও জীয়াই আছে সেইখিনিৰ সৰহ সংখ্যকেই যথেষ্ট শিক্ষিত আৰু অধ্যয়নশীল। কিন্তু তেওঁলোকৰ মাজত দেখা যায় বৌদ্ধিক অহমিকা। মই ব্যক্তিগতভাৱে বহুতো তেনে বৌদ্ধিকভাৱে চহকী মানুহক লগ পোৱা অভিজ্ঞতাৰ পৰা ক'ব পাৰো যে অধ্যয়নী গৰ্বৰ বাবেই তেওঁলোকে সন্মান বিচাৰি থাকে আৰু পৰামৰ্শগত হস্তক্ষেপৰ শিকলিডাল ধৰি থাকে। নেতৃত্ব দিয়াৰ তেওঁলোকৰ দক্ষতা নাই কিন্তু ওজৰ-আপত্তি অযুত। মতাদৰ্শত সামান্যতমো আঁচোৰ পৰিব নিদিয়ে।ৰাজনৈতিকভাৱে বামপন্থী শিবিৰ



শক্তিশালীকৰণত এই বৌদ্ধিক অহমিকা পৰিপন্থী।

পঞ্চম, একাংশ বামপন্থীয়ে এতিয়াও বিষ্ণু ৰাভাৰ উপমা দি তেওঁলোকৰ মতাদৰ্শৰ প্ৰতি মানুহক আকৰ্ষণ কৰিব বিচাৰে। বিষ্ণু ৰাভাৰ বন্দুক লোৱা কাৰ্যবোৰে মানুহক আকৰ্ষণ কৰাৰ বিপৰীতে তেওঁৰ গান গোৱা, নাটক কৰা কলাগুৰু প্ৰতিচ্ছবিখনেহে মানুহৰ মন প্ৰাণৱন্ত কৰি তোলে। বিষ্ণু ৰাভাৰ একান্ত সহযোগী, সোঁৱে-বাৱে ষ্টেণ্ডগান লৈ ফুৰা তৰুণসেন ডেকাই নিজেই শেষৰ ফালে কৈছিল, "আমি ওলাই আহিছিলো। য়ে আজাদী জ্যুঠা হ্যে বুলি কৈছিলো। আজিও কওঁ। কিন্তু আমাক মানুহে বিফলতাৰ বুৰঞ্জীতহে ঠাই দিব। যাৰ কাৰণে আমি বন্দুক লৈছিলো, হয়তো তেওঁলোকেই এদিন পাহৰি যাব। কাৰণ আমি সফল হ'ব নোৱাৰিলো। (কনকসেন ডেকাৰ "বিপ্লৱৰ খোজ" গ্ৰন্থত উদ্ধৃত)



ষষ্ঠ, বামপন্থী নেতাবোৰে এতিয়াও মানুহৰ মৌলিক সমস্যাবোৰ সহজ ভাষাৰে সাধাৰণ মানুহক বুজাই তেওঁলোকৰ দলৰ প্ৰতি আকৰ্ষণ কৰিব পৰা নাই। এতিয়াও তেওঁলোকৰ মুখত ফেঁচীবাদ, ফেডাৰেচন, শোষণ, নিষ্পেষণ আদি জটিল শব্দবোৰহে শুনা যায়। যাৰ ফলত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লক্ষ লক্ষ জনসাধাৰণে দিনটোৰ হাজিৰা, বেমাৰৰ টেবলেট, অৰুণোদয়ৰ ৮৩০ টকাৰ কথা চিন্তা কৰা মানুহখিনিয়ে এইবোৰ শব্দ বুজি নাপায়। যদি এইবোৰ কথাৰে তেওঁলোকে কাকত বা টিভিৰ শিৰোনামা দখল কৰি চৰকাৰক হেঁচা দিব খোজে, তেন্তে তেঁওলোকে প্ৰভাৱগোষ্ঠীৰ ভূমিকাহে পালন কৰিছে, ৰাজনৈতিক দলৰ নহয়। (আগলৈ)

নিপন কুমাৰ ডেকা
ৰাজনীতি বিজ্ঞান বিভাগ
ষষ্ঠ ষান্মাসিক

# দুৰ্গা পূজা



আৱহমান কালৰ পৰাই আদ্যসশক্তিৰূপিনী দুৰ্গতিনাশিনী ৰূপে দুৰ্গা দেৱী ভাৰতীয় ভক্তসকলৰ পৰা পূজিতা হৈ আহিছে। বছৰৰ যিকেইটা ঋতুৱে প্ৰাকৃতিক জগতক ৰং-ৰূপহেৰে সজাই-পৰাই মনোৰম আৰু মোহনীয় কৰি তোলে, পৃথিৱীলৈ অপাৰ সৌন্দৰ্য্য কঢ়িয়াই আনি জীৱজগত, জড়জগত সকলোতে আনন্দৰ, ৰঙৰ মেলা পাতি জগত জোনালীময় কৰি তোলে সেই শৰৎ ঋতুতেই দুৰ্গা পূজা অনুষ্ঠিত কৰা হয়। জাতীয় উৎসৱ দুৰ্গা পূজাৰ যোগেদি একোটা জাতিৰ সাংস্কৃতিক জীৱনৰ সামগ্ৰিক পৰিচয় স্পষ্টভাৱে প্ৰকাশিত হয়। দুৰ্গা দেৱী ৰণচণ্ডী. কালী. কাপালী, নৃমুণ্ডমালিনী আদি বিভিন্ন নামেৰে অভিহিতা।

দুৰ্গাদেৱীৰ আবিৰ্ভাৱ হয় অসুৰনাশিনীৰূপে। অসুৰসকলৰ ৰজা মহিষাসুৰে স্বৰ্গ জয় কৰি দেৱতাসকলক স্বৰ্গৰ পৰা খেদি দিয়ে। ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ ওচৰত তেওঁলোকৰ দুখৰ কথা শুনি তিনিওজন দেৱতাই তেওঁলোকৰ শক্তিৰে এক নাৰী মূৰ্ত্তিৰ জন্ম দিয়ে। মহাতেজস্বিনী এই নাৰীক দেৱতাসকলে তেওঁলোকৰ শক্তি প্ৰদান কৰে। দশভূজা দেৱীয়ে সোঁহাতসমূহত ধাৰণ কৰিলে ত্ৰিশূল, খড়্গ, চক্ৰ, আৰু বাওঁহাতত ধাৰণ কৰিলে মেটুক, পাশ, অংকুশ, ঘমৃট আৰু পৰশু। দেৱীৰ বাহন সিংহ।

আহিন মাহৰ শুক্লা ষষ্ঠী তিথিত দেৱীৰ পূজা আৰম্ভ হয়। সিংহবাহিনী দেৱীৰ সোঁহাতে থাকে ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু সিদ্ধিদাতা গণেশ, বাওঁহাতে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী আৰু দেৱসেনাপতি কাৰ্ত্তিক। দেৱীৰ মূৰৰ ওপৰত থাকে মহাদেৱ। দেৱীৰ চৰণত থাকে মহিষাসুৰ। ধৰ্মগ্ৰন্থৰ কাহিনী অনুসৰি মহিষাসুৰক বধ কৰাৰ আগেয়ে সপোনত তেওঁক দেৱীয়ে বধ কৰাৰ কথা জানিব পাৰিলে। সেয়ে তেওঁ দেৱীক প্ৰাৰ্থনা কৰিলে যে দেৱীক কৰা পূজাৰ অংশ যাতে তেৱোঁ পায়। প্ৰাৰ্থনা অনুসৰি দেৱীয়ে মহিষাসুৰক সদায় তেওঁৰ চৰণত থাকি দেৱীক কৰা পূজাৰ অংশ ল'বলৈ অনুমতি দিয়ে।



ষষ্ঠীৰ দিনা দেৱীৰ বোধন হয়। সেইদিনা দেৱীৰ আৱাহন আৰু অধিবাস সম্পন্ন কৰা হয়। সপ্তমী, অষ্টমী আৰু নৱমীত মহাসমাৰোহেৰে পূজা সম্পন্ন কৰা হয়। এই কেইদিন অগণন ভক্তই দেৱীৰ চৰণত অঞ্জলি প্ৰদান কৰে। সন্ধিয়া দেৱীৰ সন্মুকত আৰতি কৰা হয়। অষ্টমী আৰু নৱমী তিথিৰ সন্ধক্ষণত যি বিশেষ পূজা অনুষ্ঠিত কৰা হয় তাক সন্ধি পূজা বুলি কোৱা হয়। দশমী তিথিত দেৱীৰ পূজা সমাপন কৰি দেৱীক শোভাযাত্ৰা সহকাৰে কোনো নদী নাইবা জলাশয়ত বিসৰ্জন দিয়া হয়।

দুৰ্গা পূজা ধৰ্মীয় উৎসৱ হ'লেও ই বংগদেশত জাতীয় উৎসৱৰ মৰ্যাদা লাভ কৰিছে। শৰৎ কালৰ নিৰ্মল আকাশৰ তলত দৈনন্দিন জীৱনৰ দুখ, বেদনা, হিংসা, দ্বেষ পাহৰি সকলোৱে এই উৎসৱত মন-প্ৰাণ ঢালি মতলীয়া হৈ পৰে। পূজা উৎসৱৰ সময়ত পূজাথলীৰ সমীপত মেলা আদি পতাৰ উপৰিও প্ৰায় সকলো ঠাইতে পূজাৰ কেইদিন নাট্যাভিনয় আদিয়ে দুৰ্গা পূজাৰ ধৰ্মীয় ৰূপো ধাৰণ কৰে। সেয়েহে আজি প্ৰতিজন অসমীয়াইও এই দিনকেইটাৰ বাবে গোটেই বছৰটো অতি হেঁপাহেৰে বাট চাই থাকে। বিহুৰ লগতে আজি অসমীয়াসকলৰ

বাবে দুৰ্গা পূজাও এক জাতীয় উৎসৱত পৰিণত হৈছে। দুৰ্গা পূজাক শাৰদোৎসৱ বুলিও অভিহিত কৰিব পাৰি। পূজাৰ এই পৱিত্ৰ অনুষ্ঠানত ধূপ-ধূনা আৰু হোমৰ গোন্ধই, ডবা, কাঁহ, শংখ, ঘণ্টাৰ সন্মিলিত সমলয়ে মানুহৰ অন্তৰে-অন্তৰে স্বৰ্গীয় পৱিত্ৰতা সানি দিয়েহি। দেৱী দুৰ্গাৰ চৰণত মূৰ দোৱাই প্ৰতিজন ভক্তই শক্তি, বিদ্যা-বুদ্ধি, ঐশ্বৰ্য-বিভূতি কামনা কৰে। মানুহেৰে উদুলি-মুদুলি পূজামণ্ডপ যেন বৈকুণ্ঠ ধামত পৰিণত হয়। দুৰ্গা পূজা বঙালীসকলৰ পাৰিবাৰিক জীৱনত মিলনৰো উৎসৱ বুলি ক'ব পাৰি।

জাতীয় উৎসৱ দুৰ্গা পূজাই মানুহৰ মাজত সামাজিক, নৈতিক, আধ্যাত্মিক বন্ধন দৃঢ় কৰে। একতা, আত্মীয়তা, সহৃদয়তা জগাই তোলে। তাৰ পলত দেশৰ সংহতি দৃঢ় হয়। দুৰ্গা পূজাৰ অন্তৰ্নিহিত বৈশিষ্ট্যিই জগতলৈ সেই সংহতি কঢ়িয়াই আনক। শাৰদোৎসৱৰ এক উল্লেখনীয় দিশ হ'ল ই সাহিত্যৰো জন্ম দিছে। শাৰদীয় সময়ছোৱাত ৰাজ্যখনৰ বাতৰি কাকত আৰু আলোচনীসমূহ সাহিত্য সম্ভাৰেৰে ৰাইজৰ মাজলৈ ওলাই আহে। প্ৰতিজন পাঠকে আগ্ৰহেৰে বাট চাই থাকে সেই সাহিত্য সম্ভাৰৰ বাবে। লেখক আৰু পাঠকৰ বাবে দুৰ্গোৎসৱ এক অমূল্য উপহাৰ।

নিহাৰীকা বৰুৱা
অৰ্থনীতি বিভাগ, ২য় ষাণ্মাসিক






# লাভলীনা বৰগোহাঁই

খেল জগতত আগৰে পৰা অসমৰ খেলুৱৈ সকলে ভাল প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। অসমৰ প্ৰথম অৰ্জুন বঁটা বিজয়ী ভোগেশ্বৰ বৰুৱা ১৯৬৬ চনত এছিয়ান গেমছত সোঁণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। বৰ্তমান অসমৰ মহিলা সকলো পিছ পৰি থকা নায়। ২০২০ চনত লাভলীনা বৰগোহাঁই অসমৰ প্ৰথম অৰ্জুন বঁটা বিজয়ী মহিলা হ'বলৈ সক্ষম হৈছে।

লাভলীনাৰ জন্ম হৈছিল ১৯৯৭ চনৰ ২ অক্টোবৰত। অসমৰ গোলাঘাট জিলাত। লাভলীনাৰ পিতৃ টিকেন বৰগোহাঁই , এজন মধ্যম বৰ্গৰ ব্যৱসায়ী। মাকৰ নাম মামণি বৰগোহাঁই। লাভলীনা বৰগোহাঁইৰ দুজনী যমজ বায়েকো আছে। বায়েক দুজনী লিছা আৰু লিমা। লাভলীনা ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে এদিন দেউতাকে ঘৰলৈ মিঠাই বান্ধি অনা বাতৰি কাকত এখনত মহম্মদ আলিৰ বিষয়ে প্ৰকাশিত প্ৰবন্ধ এটা পঢ়িবলৈ দিয়ে। লাভলীনাই লেখনিটো পঢ়ি মহম্মদ আলিৰ বিষয়ে জানিব পৰাৰ লগতে বক্সিঙৰ প্ৰতি আকৰ্ষিত হল। সেয়াই আছিল লাভলীনাৰ বক্সিং সম্পৰ্কে প্ৰথম ধাৰণা। লাভলীনাহঁতৰ ঘৰত কোনো পুত্ৰ সন্তান নাছিল বাবে দেউতাকে লাভলীনাক ল'ৰাৰ নিছিনাকৈ থকাতো বিচাৰিছিল। সেয়েহে দেউতাকে লাভলীনাক বক্সাৰ হ'বলৈ উৎসাহ দিছিল। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে বৰপথাৰ ছোৱালী হাইস্কুলত

অনুষ্ঠিত কৰা অনুশীলনীত প্ৰশিক্ষক পদুম বড়োৰ চকুত পৰে অৰু ২০২০ চনৰ পৰা তেওঁ লাভলীনাক প্ৰশিক্ষণ দিবলৈ আৰম্ভ কৰে। পিছলৈ ভাৰতীয় মহিলা বক্সিঙৰ মুখ্য প্ৰশিক্ষক শিৱ সিঙে তেওঁক প্ৰশিক্ষণ দিয়ে।




লাভলীনাই ২০১৮ চনত প্ৰথম বাৰৰ বাবে নতুন দিল্লিত অনুষ্ঠিত হোৱা AIBA মহিলা বক্সিং বিশ্ব চেম্পিয়নশ্বিপত মহিলাৰ ৬৯ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে। ২০১৯ চনত লাভলীনা ২য় বাৰৰ বাবে ৰাছিয়াত অনুষ্ঠিত AIBA মহিলা বক্সিং বিশ্ব চেম্পিয়নশ্বিপৰ বাবে পোনপটীয়াকৈ নিৰ্বাচিত হয়।তেও ৬৯ কিলোগ্ৰাম শাখাৰ চেমি ফাইনেলত চীনৰ য়াং লিউৰ হাতত ২-৩ ব্যৱধানত পৰাস্ত হয়।২০২০ চনৰ মাৰ্চ মাহত লাভলীনাই উজবেকিস্তানৰ মফতুনাখন মেলিভাক ৫-০ ব্যৱধানত পৰাস্ত কৰি টকিঅ অলিম্পিকত অংশগ্ৰহণ কৰিবৰ বাবে যোগ্যতা অৰ্জন কৰে। লগতে তেও অলিম্পিকৰ বাবে নিৰ্বাচিত হোৱা অসমৰ প্ৰথম মহিলা খেলুৱৈ ৰূপে পৰিগণিত হয়। এই খেলত তেও চীনৰ গু হুঙৰ হাতত ৫-০ ত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে।২০২০ চনত লাভলীনাই অৰ্জুন বঁটা লাভ কৰে।


অমল বড়ো

কলা শাখা

২য় ষাণ্মাষিক

# এজনী অকণমানি



এখন গাঁৱত এটি দুখীয়া পৰিয়ালত এজনী কণমানিৰ জন্ম হৈছিল। তাইৰ নাম আছিল দীপামণি। দেউতাক অন্ধ আৰু মাতৃগৰাকী আছিল অসুস্থ। তাইৰ এজন ককায়েক আছিল। পৰিয়ালটো পোহপাল দিবলৈ সেই বাৰ বছৰীয়া ককায়েকে নগৰত গৈ দোকান এখনত কাম কৰিছিল। তাৰেই পৰিয়ালটো কেনেবাকৈ চলিছিল। তেনেকৈ দিনবোৰ পাৰ হ'ল। অকণমানি জনীও ডাঙৰ হৈ আহিল। ককায়েকে পোৱা টকা কেইটাৰে ঘৰখন চলাত অসুবিধা হৈছিল আৰু ঘৰত অসুস্থ মাতৃক অকলে এৰি দেউতাকে কণমানিজনীক হাতত ধৰি নগৰলৈ ভিক্ষা খুজিবলৈ লৈ আহিছিল। তেনেকৈ দিনবোৰ সুবিধা-অসুবিধাৰ মাজেৰে পাৰ হৈছিল। তেনেকৈ দিনবোৰ পাৰ হোৱাত এদিন হঠাৎ পিতৃৰো শৰীৰ অসুস্থ হ'বলৈ ধৰিলে। এদিনাখন দীপামণি আৰু তাইৰ পৰিয়ালটোক পিতৃয়ে অকলশৰীয়া কৰি এৰি গুছি গ'ল। অসুস্থ মাতৃয়ে অকলে সৰু-সৰু ল'ৰা-ছোৱালী দুটাক লৈ দিন নিয়াব ধৰিলে। কণমানিৰ মাক নিঃসহায় যে, কি কৰিব কি নকৰিব! দীপামণিৰো পঢ়াৰ বয়স, তাইও সেই বয়সলৈ অভাৱত পৰি বিদ্যালয়ৰ মুখকে দেখা নাই। ককায়েকৰ বহু আশা আছিল তাইক পঢ়োৱাৰ। যাতে তাই এদিন ডাঙৰ মানুহ এজনী হয়মাকৰ চিকিৎসাৰ বাবেও ইমান টকা হাতত নাছিল। এদিনাখন মাকৰ শৰীৰৰ অৱনতি ঘটাত তেওঁলোকে মাতৃকো হেৰুৱাব লগীয়া হ'ল। সেই দুয়ো ল'ৰা ছোৱালী আজি অনাথ। তাৰ পিছত এদিন ককায়েকে নগৰলৈ ভনীয়েকক লৈ আনি কামৰ বাবে সোধ-পোছ কৰিলে। তেনেতে এগৰাকী মানুহক ককায়েকে লগ পালে। মানুহ গৰাকীক ভনীয়েকক কামত ৰাখিবলৈ কাকূতি-মিনতি কৰিলে। ল'ৰা-ছোৱালী হালৰ তেনে অৱস্থা দেখি মানুহ

গৰাকীৰ পুতৌ জাগিল। সেই মানুহ গৰাকী বহুত দয়ালু আৰু সৎ প্ৰকৃতিৰ আছিল। তেখেতে সেই ল'ৰা-ছোৱালী দুয়োটাকে নিজৰ ঘৰলৈ লৈ গ'ল। মানুহগৰাকী আছিল এগৰাকী বিধৱা আৰু তেখেতৰ এজনী ছোৱালী আছিল। মানুহ গৰাকীয়ে তেওঁলোকক ক'লে, "আজিৰ পৰা মোৰ দুজনী ছোৱালী আৰু এটা ল'ৰা। মই তহঁতক কাম কৰাবলৈ ইয়াত অনা নাই। মই কালিলৈকে গৈ তহঁত দুয়োটাকে বিদ্যালয়ত নাম লগাই দিম। তহঁতে ভালকৈ পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব লাগিব।" মানুহ গৰাকীৰ জীয়েক আছিল এগৰাকী জিলা উপায়ুক্ত বিষয়া (IAS)। তেনেকৈয়ে দুয়োদনকে পঢ়ুৱালে, আৰু সময়মতে সিহঁতেও তেওঁক এটি ভাল ফল দিবলৈ সক্ষম হ'ল। ল'ৰাজন এজন ভাৰতীয় সেনাবাহিনীৰ জোৱান (Army) হৈ বৰ্তমান দেশ ৰক্ষা কৰি আছে, আৰু সৰু হৈ থকা সেই দীপামণি আজি এগৰাকী চিকিৎসক (Doctor)।

বেলেগৰ ল'ৰা-ছোৱালী হ'লেও আজি সেই মাতৃগৰাকীয়ে নিজৰ কৰি তেওঁলোকক এক নৱ জীৱন দান দিলে। আজিৰ দিনত তেনে মানুহৰ সংখ্যা নিচেই কম। এতিয়া সেই মাতৃ গৰাকীয়ে সুখেৰে তিনিওটা সন্তান লৈ সুন্দৰভাৱে আছে।

এই কাহিনীটোৰ পৰা আমি ইয়াকে বুজিলো যে, কাৰ ক'ত, কেতিয়া কি হ'ব কোনেও নাজানে। লগতে আমি এইটোও শিকিলো যে মানুহে মানুহক সহায় কৰিব লাগে। অনাথ ল'ৰা-ছোৱালীবোৰক মাক-দেউতাকৰ মৰমৰ পৰা বঞ্চিত কৰিব নালাগে, মৰম দিলে মৰম পায়। অনাথ ল'ৰা-ছোৱালীসকলৰো বহুতো সপোন থাকে, যিবোৰ তেওঁলোকে প্ৰকাশ কৰিব নোৱাৰে।

শ্ৰী পলাক্ষী দাস
ৰাজনীতি বিজ্ঞান বিভাগ
৪ৰ্থ ষান্মাসিক

# প্ৰেমৰ প্ৰতাৰণা



একোৱেই নাভাৱো
ভাৱিবলৈনো বাকী আছে কি ...?

মোৰ হৃদয়ৰ জ্বলি উঠা এগছি চাকি
সহজতে নুমুৱালা
মৰমৰ বিনিময়ত দিলা
দুখৰ টোপোলা

ভবাই নাছিলো
এনে বিষাদৰ নিশা সন্মুখীন কৰিবলৈ পাম
কিন্তু আজীৱন তোমাকেই ভাল পাই যাম ....!

তনুশ্ৰী বৰ্মন
দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

# ফুলৰ মাজেৰে

প্ৰকৃতিৰ অৱদান এই সুন্দৰ ফুলনিখন,
নানা ৰঙৰ ফুলবোৰ দেখি নাচি উঠে মন।

শৰৎ কালত শেৱালীয়ে শুকুলা সাজেৰে,
দুৰ্গন্ধ আঁতৰাই নিয়ে নিজৰ নিজৰ সুগন্ধী সুৱাসে।

ভেট পদুমে সাঁতুৰি-নাদুৰি কৰে জলক্ৰীড়া,
যদি লৈছে বেয়াৰ সঙ্গ ততালিকে এৰা।

সূৰ্য্য কিৰণ পৰিলেহে সূৰুযমুখী ফুলে,
সাধুৰ সঙ্গত থাকিলেহে মনৰ জ্ঞান বাঢ়ে।

বকুল ফুল বুটলি মালা গাঁঠিবলৈ ভাল,
চাই-বুজি খোজ দিবা ভাল নহয় দিন কাল।

কাঁইটৰ মাজত বহি গোলাপে হাঁহে মিচিকিয়াই,
কঠিন পথেৰে আগুৱাই যাবলৈ আদৰ্শ দেখুৱায়।

ফাকু ৰঙেৰে ৰাঙলী ৰঙা ফুল মদাৰৰ,
যদিও ধুনীয়া কিন্তু কামত নাহে সমাজৰ।

পূজাৰ প্ৰধান ফুল ৰঙা ৰক্ত জবা,
বিপদ অহা দেখিলেই আগে সাৱধান হ'বা।

ব'হাগত কপৌফুলে সজাই নাচনীৰ খোপা,
মানি চলিব লাগে সকলোৱে সামাজিক পৰম্পৰা।

ৰজনীগন্ধাৰ মিঠা সুবাসে মন প্ৰাণ হৰে,
মধু মিঠা মাতে সকলোৰে মন জয় কৰে।



অৰ্ণৱ বৰা
B.Com (2nd semester)


# মৃত্যু



আজি মানৱতাৰ কথা
ক'বলৈ আৰু একো নাই।
মানুহৰ মাজতে ল'লে
আজি অমানুহে ঠাই।
দিনৰ বেলিকাতে মানুহক
মৰিয়াই মাৰে।
ওচৰত থকা মানুহজনে
ফটো তুলি থাকে।
নাই মানৱতা আজি
মানুহৰ মনত।
অসভ্যতাৰ জয়গান
সভ্যতাৰ মুখত।
ভাল মানুহৰ দাম নাই
এই সাম্প্ৰতিক সমাজত।

অমানুহৰ দাম তীব্ৰতাৰে বাঢ়ে
মুকলি বজাৰত।
মানুহৰ মনত নাই আজি
সততা একতা।
অকালতে মৃত্যু ঘটিল
মানুহৰ মানৱতা।

ভিতালী ডেকা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ




# ইংৰাজী বিভাগ

DISPUR COLLEGE STUDENT UNION
উদয়
E-MAGAZINE

# VIBHISHAN- THE RIGHTEOUS OF RAMAYAN



In His fight against Ravan, Ram was helped by many good men and other living beings such as monkeys, bears and birds. Ramayan is full of such warriors- Hanuman, Sugreev, Jatayu-the super eagle and Jamwant-the king bear. However, there was one person who helped Ram the most. But the irony is that this person in the course of time became the most scorned person in India.

The name of this person is Vibhishan, the half-brother of Ravan who jumped sides to assist Ram in killing Ravan. It was he who revealed to Ram that the only way to slay Ravan was by aiming a powerful arrow at his navel. Ram followed Vibhishan's advice and thus eliminated the demon king.

So from this angle, the credit of killing the evil Ravan should have gone to some extent to Vibhishan but that is not how our society judges Vibhishan. He is considered as a person who revealed the family secret to the enemy. No parent wants to name their son

Vibhishan. It is really sad that a man who rendered the most critical service to Ram is scorned by the society.

Again it was Vibhishan who indirectly saved Lakshman's life as he lay unconscious. It was Vibhishan who revealed that the royal physician of the Asuras Sushena could cure Lakshman. But the society never acknowledged Vibhishan's role in saving Lakshman's life.

Vibhishan was always on the side of truth and stood for justice and fair play. He risked his life for his moral values and thus deserves to be given an exalted place amongst the fearless warriors by our society.

He can be considered to be the first champion of women's rights when he chided his brother for keeping another man's wife captive against her wishes. Our society's insistence on not giving a virtuous man his due just because he didn't defend his immoral elder brother smacks of lack of morality in our society.

Vibhishan was the first whistleblower in the history of mankind but he didn't desert his elder brother for any ulterior motive. He went over to meet Ram with a clear conscience. He was a seeker of justice who risked it all to be on the side of truth. Therefore, it is time to give Vibhishan his due and remember him as the righteous rebel of Ramayan.

[ Extracted & Compiled from the original by Dr. Sudhir Bisht]

**Devika Sharma**
**B.Com 4th Sem**
**Roll No.25**

# THE COWHERD BOY AND THE DEMONESS



There was once a cowherd boy named Bulbul. Every morning taking his musical pipe made of buffalo horn he takes the cows for grazing. The cows graze merrily while enjoying the sound notes from his pipe. Leaving the cows to graze he sits under the shade of a tree and plays his pipe. When he gets hungry in the afternoon, he takes out tidbits from his small cloth bag tied to his waist and eats. At dusk he herds the cows together and takes them back to the village and leaves them at the entrance of the house of the respective owners. Sometimes during festivals or occasionally villagers affectionately give him sweetmeats (Petha) to eat. Bulbul really loves the smell of sweetmeats and relishes them. The very mention of sweetmeats like til-petha, ghila-petha, sutuli-petha, and feni-petha waters his mouth.

One day he packed many sweetmeats in his small cloth bag and went to graze the cows. When he became hungry in the afternoon he ate them all except one which he kept in his bag for his mother. Thinking that someone might steal his sweetmeat he dug a hole in

in the ground and buried his bag. However in the evening when it was time to herd back the cows home he forgot about the sweetmeat that he had buried. At night, when he was preparing to sleep he remembered about his bag and the sweetmeat inside it.

Next day morning when he reached the familiar grazing ground he straightaway went to search for his bag. He found his bag but the sweetmeat was missing. To his surprise he noticed a small tree sapling growing at that place. Bulbul angrily uprooted the sapling and threw it away. The very next day Bulbul saw a big tree standing at that place. Then the next day to Bulbul's astonishment he saw sweetmeats hanging from that very tree. He thought, "Isn't it lovely to have sweetmeats growing from trees". He climbed up the tree and plucking the sweetmeats began to eat them. Just then an old woman came by and said, "Son what are you eating? Give me some too". He said, "Grandma you have to help yourself". Actually this woman was a demoness who had taken the form of an old woman through her magical powers and was planning to eat the boy. She again said to Bulbul and this time sadly, "Son, I cannot climb trees. If you can, pluck a couple of sweetmeats for me. I am very hungry". Bulbul plucked two sweetmeats for her and as he was about to give her the sweetmeats she caught hold of his hand and pulled him into a sack and tied him. Taking the boy, the demoness reached her home.

The demoness had a daughter. She ordered her daughter to cut the cowherd boy into pieces while she herself went to the woods in search of firewood. As the daughter opened the sack she saw Bulbul and was touched by his childlike features. Overwhelmed by affection she set him free. When the demoness returned back home she was very angry and chased her daughter from home.

One day after a few days, when Bulbul was grazing the cows, the demoness saw him again. This time she took the form of an old man

and catching hold of Bulbul put him into a sack. On her way back home she felt thirsty. Keeping the sack near two farmers she went into the river to drink water. Just then Bulbul called out from the sack, "Help me, please help me. Otherwise this demoness will kill me". Hearing the pleading voice of the helpless boy the farmers took pity on him. They opened the sack and released Bulbul and filled the sack with some stones. When the demoness reached home she thought of boiling the boy before eating him. So she opened the sack over a hot cauldron of boiling water. As the stones fell on the boiling water the water spilled over on the demoness. When all of a sudden boiling water fell on her head and ears, she lost her senses and in her bid to get respite from burns she tried to jump away but fell on the burning fire instead. The fire engulfed her in no time and she got killed.
[Compiled from 'Starry Night Tales', a local folklore]

**Devika Sharma**
**B.Com, 3rd/4th Sem,**
**Roll No.25**

# I WRITE YOUR NAME ON THE WALL OF THE HEART



I write a message with loving words.
I have lived for years and years.
I write a feeling of this yearning
I write your name on the wall of the heart.

I laughed lovingly at the sight of you.
I write the style of those magic eyes.
I write your name on the wall of the heart.

Your name is nominate with the Monsoon.
It is a dusk in these raining drops
Every evening of life, I write your name today.
I write your name on the wall of the heart.

Every wish I had was incomplete before you got it.
I write the reason for living these desires today.
I write your name on the wall of the heart.

Your heart got a throbbing heart in the chest.
A poem became new to the Poetries crowd.
Today, I write your name to this Poem.
I write your name on the wall of the heart.

I am not a poet nor do you are any imagination.

You are a reality, you are a prayer, you are the worship of this heart.
I read the emotion of your love in the heart again and again.
I write your name on the wall of the heart.

There is a lot of blessings for you.
But I also accept a small prayer, O God.
Always keep it near the heart.
How can I say that I write to you with my heart today?
I write your name on the wall of the heart.
I just write your name.

**Balram Jha**

# CASTEISM

Do you know ma, he is my life?
And also I love him like you
Yet you believe on the system of caste categorize.
Just give me a few answers,
Are his blood drops blue?
Does his tear cause flu?
Is his skin a stone that cannot feel?
Is his body an iron that cannot heal?
If not,
Then why he can't be mine sponsor?
Is this society an illiterate?
Why he can't be mine forever morning portrait?
Though you are my whole world,
Am I doing wrong in this?
If no, then give me a chance
To travel in my dream world.
Let me to live
I have the right to choose the good vibes,
Can't you listen to my scream?




**N. Sanjana Devi**
**B.Com 4th Sem**
**Finance**

# POETRY ACQUAINTANCE

There was a battle of words,
To which I used my pen as my sword.
An art to craft with words of mine,
Is now, an old memory that no longer shine.
The pages of the field seems too bleak,
The sight of them makes me weak.
The torch of muse,
To me, brings no news.
What new shall I compose?
Making me sit to think and decompose.
Sun shall rise one day,
Sprinkling on with ideas in all its rays.

**Tanisha Taskin**
**2nd sem,**
**English Honours**



# হিন্দী বিভাগ

DISPUR COLLEGE STUDENT UNION
উদয়
E-MAGAZINE


# जातिवाद



जरुरत ही क्या है
धर्म या जात की?
इनके बिना भी बन सकते है
आप इसके मुस्कान की वजह।
ऐतराज तो कुछ नहीं है
यह तो सदियों से चला आ रहा है,
बस दुःख की बात यह है की
इसके कारण प्यार को ठुकराया जा रहा है।
इश्क एक ही जात में हो
जरुरी है क्या?
वह राजी हर एक बात में हो
जरुरी है क्या?
धर्म जात के नाम पर लोगो को
बातने बालो,
क्या आपका खून का रंग अलग है?
मजाक बनी हूँ भीड़ में मगर
एक दिन मेरा भी शोर आयेगा
हँसते-हँसते चल ये मुसाफिर
रास्ता खुदपे-खुद तेरी और आयेगा।
आज जात-पात के लिए रोता है तू
शायद कल ये जात-पात
तेरे सामने हार जायेगा।

**N. Sanjana Devi**
**B.Com 4th Sem**
**Finance**






# ক'লাজ

In the frame, there are some best photographs of the year 2020

# Foundation day college

43rd foundation day
Dispur College



43rd foundation day
Dispur College



43rd foundation day
Dispur College



43rd foundation day
Dispur College



# Book Launch in college

## Launch of
## "Contemporary issues of development poliecies in india" & "Guwahati Guwahati"

BOOK LAUNCH
Dispur College



book launch
Dispur Cpllege



book launch
Dispur Cpllege



book launch
Dispur Cpllege



# RESULT OF POSTER MAKING COMPETITION




## 1st
SAGAR DAS
B.COM 4th SEMESTER




## 2nd
MILI BARUAH
B.A 4th SEMESTER




## 3rd
SUKUMAR MAZUMDAR
B.COM 4th SEMESTER

# সাৱধান হওক, আতংকিত নহ'ব

## আহক, নিয়মবোৰ মানি চলি ক'ৰোণাৰ বিৰুদ্ধে জয়লাভ কৰো

মাস্ক পিন্ধক

হাত ধোৱক

সামাজিক দুৰত্ব বজাই ৰাখক

চেনিটাইজাৰ ব্যৱহাৰ কৰক

ঘৰত থাকক

উদয়ৰ পৰৱৰ্তী সংখ্যা জানুৱাৰী মাহত প্ৰকাশ পাব । গতিকে ছাত্ৰছাত্ৰী সকলক গল্প,কবিতা,প্ৰবন্ধ,লিমাৰিক,মহৎলোকৰ জীৱনী,ছবি,ফটোগ্ৰাফ ইত্যাদি প্ৰেৰণ কৰিবলৈ আহ্বান জনোৱা হ'ল



উদয়
E-MAGAZINE